# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কাৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বাৰ্ষিক ৰেলীত ভাষণ দিব।

২। কৃষকৰ সবলীকৰণ আৰু সমৃদ্ধিৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰে।

৩। গৃহমন্ত্ৰী অমিত শ্বাহে মহাকুম্ভ মেলাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত উপস্থিত হ'ব।

৪। উত্তৰাখণ্ডত উমৈহতীয়া দেৱানী বিধি বলৱৎ কৰাৰ বাবে ৰাজ্যখনৰ চৰকাৰ সাজু হৈছে।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধ মহিলা টি-২০ বিশ্বকাপত কালি ভাৰতে বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কাৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বাৰ্ষিক ৰেলীত ভাষণ দিব। এইবাৰৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৰেলীৰ মূল বিষয়বস্তু হৈছে- **যুৱ শক্তি, বিকশিত ভাৰত**। এই ৰেলীৰ সাংস্কৃতিক অনুষ্ঠানত ৮০০ গৰাকী শিক্ষাৰ্থীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰতিশ্ৰুতি প্ৰদৰ্শন কৰিব। এই ৰে'লীত ১৮ খন বিদেশী বন্ধু ৰাষ্ট্ৰৰ ১৪৪ গৰাকী শিক্ষাৰ্থীয়ে অংশ ল'ব। ইয়াৰোপৰি সমগ্ৰ দেশৰ মোৰ যুৱ ভাৰত, শিক্ষা মন্ত্ৰালয় আৰু জনজাতি পৰিক্ৰমা বিভাগৰ ৬৫০ গৰাকীতকৈও অধিক স্বেচ্ছাসেৱকে এই ৰে'লীত বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে কেন্দ্ৰীয় চৰকাৰে কৃষকৰ সৱলীকৰণ আৰু সমৃদ্ধিৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নতুন দিল্লীত ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে চৰকাৰে বিশেষভাৱে আমন্ত্ৰণ কৰি অনা কৃষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ এই মন্তব্য কৰে। কৃষি মন্ত্ৰীগৰাকীয়ে আধুনিক কৃষি কৌশলৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি কয় যে কৃষকৰ সমস্যা সমাধানৰ বাবে আধুনিক প্ৰযুক্তিৰ সহায় লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে কৃষকৰ ফচল পোনপটিয়াকৈ গ্ৰাহকৰ কাষলৈ নিব পৰা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ

কৰে। তেওঁ কয় যে এই ব্যৱস্থাৰ জৰিয়তে কৃষকে উৎপাদিত সামগ্ৰী মধ্যভোগী অবিহনে গ্ৰাহকক বিক্ৰী কৰিব পাৰিব আৰু কৃষকৰ সৰ্বাধিক লাভ নিশ্চিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মহাকুম্ভ মেলাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত উপস্থিত হ'ব। মন্ত্ৰী শ্ৰীশ্বাহে তাত গংগা, যমুনা আৰু সৰস্বতী নদীৰ ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান কৰিব। তেওঁ তাত পুৰী আৰু দ্বাৰকাৰ শংকৰাচাৰ্য দুগৰাকীৰ লগতে বহু সাধু সন্তক লগ পোৱাৰ আশা কৰিছে।

০০০০০০০

উত্তৰ প্ৰদেশ চৰকাৰে প্ৰয়াগৰাজৰ সমগ্ৰ মহাকুম্ভ এলেকা আজিৰে পৰা যান-বাহন মুক্ত অঞ্চলৰূপে ঘোষণা কৰিছে। অহা ২৯ জানুৱাৰীত হ'বলগীয়া মৌনি অমাৱস্যা উপলক্ষে সাম্ভাব্য জনসমাগম নিয়ন্ত্ৰণ কৰাৰ লগতে সু-পৰিচালনা নিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশ কেন্দ্ৰই পৰিস্থিতি নিৰীক্ষণ কৰিব যাতে অঞ্চলটোত অতিৰিক্ত জনসমাগম নহয়। যিকোনো জৰুৰীকালীন পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দ্ৰুত সঁহাৰি দলকো নিয়োজিত কৰা হ'ব।

০০০০০০০

প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলা মহিলা সবলীকৰণৰ মঞ্চ হৈ পৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বিভিন্ন সংস্থা আৰু স্বেচ্ছাসেৱী অনুষ্ঠানে মহিলাসকলৰ  বাবে মঞ্চ আগবঢ়াইছে। মহিলা সবলীকৰণৰ উদ্দেশ্যে কুম্ভমেলাত মহিলাসকলৰ অধিকাৰৰ হকে কেইবাটাও পেভেলিয়ন স্থাপন কৰা হৈছে। ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলাসকলৰ অধিকাৰ সাব্যস্ত কৰিব পৰা আইন সম্বন্ধীয়  সজাগতা সৃষ্টিৰ উদ্দেশ্যে এটা পেভেলিয়ন স্থাপন কৰিছে। এই কুম্ভমেলাতে স্থানীয় আৰু গ্ৰামাঞ্চলৰ পৰা অহা মহিলাসকলে পৰাম্পৰাগত হস্তনিৰ্মিত বস্ত্ৰ, শিল্প আৰু জৈৱিক সামগ্ৰী বিক্ৰীৰ বাবে বিপণী স্থাপন কৰিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে উমৈহতীয়া পেন্সন আঁচনি অৰ্থাৎ ইউ পি এছ্ কাৰ্যকৰী কৰাৰ বাবে শেহতীয়াকৈ আনুষ্ঠানিক জাননী জাৰি কৰিছে। অহা ১ এপ্ৰিলৰ পৰা এই আঁচনি কাৰ্যকৰী হ'ব। চৰকাৰে যোৱা বছৰৰ আগষ্টত ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থাৰ অধীনত বিকল্প ব্যৱস্থা হিচাপে এই আঁচনি প্ৰৱৰ্তন কৰিছিল। ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা সামৰি লোৱা আৰু নতুন পেন্সন আঁচনিৰ অধীনত এই বিকল্প বাছি লোৱা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত উমৈহতীয়া পেন্সন আঁচনি কাৰ্যকৰী হ'ব বুলি এই সন্দৰ্ভত জাৰি কৰা জাননীত উল্লেখ কৰা হৈছে।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **শিক্ষাৰ্থীৰ পৰীক্ষাৰ চাপ নিয়ন্ত্ৰণ** সন্দৰ্ভত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ যুটীয়া সচিব ডº শ্বেতা আৰোৰা আৰু সৰ্ব ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ  মনোৰোগ বিষয়ৰ অধ্যাপক ডº ৰাজেশ সাগৰৰ সৈতে হোৱা এলানি বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে পৰীক্ষাৰ চাপৰ কাৰণ, ইয়াৰ পৰা মুক্তিৰ উপায় আৰু

পৰীক্ষাৰ সময়ত মানসিক স্বাস্থ্য সন্তুলিত কৰা আদি সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

আজিৰে পৰা উত্তৰাখণ্ডত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত এই আইন ৰূপায়ণ কৰা ভাৰতৰ প্ৰথমখন ৰাজ্য হিচাপে উত্তৰাখণ্ড পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে কয়, যে ইয়াৰ বাবে নিয়ম অনুমোদন আৰু চৰকাৰী প্ৰশিক্ষণকে ধৰি সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

উমৈহতীয়া দেৱানী বিধিৰ লক্ষ্য হৈছে-- ব্যক্তিগত নাগৰিক আইনসমূহক মান সন্মতকৰণ কৰা, সকলো নাগৰিকৰ বাবে সম অধিকাৰ নিশ্চিত কৰা। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই বিধিৰ অধীনত জাতি, ধৰ্ম আৰু লিংগৰ ভিত্তিত বৈষম্যমূলক ব্যক্তিগত নাগৰিক বিষয়ৰ সৈতে জড়িত সকলো আইনতে একতা অনাৰ প্ৰয়াস কৰা হৈছে। ২০২২ চনত উত্তৰাখণ্ডত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনত এই বিধি ৰূপায়ণ কৰা বিজেপিৰ এক প্ৰতিশ্ৰুতি আছিল। শেহতীয়াকৈ ৰাজ্যৰ মন্ত্ৰী সভাই এই বিধি কাৰ্যকৰী কৰাৰ নীতি-নিয়মত অনুমোদন জনাই মুখ্যমন্ত্ৰীক ইয়াৰ বাবে তাৰিখ নিৰ্ধাৰণ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল।

০০০০০০০

কেৰেলাৰ কোঝিকড়ৰ থিক্কোৰী সমুদ্ৰ তীৰত কালি বিয়লি ঢৌত উটি যোৱাৰ ফলত দুগৰাকী মহিলাসহ মুঠ ৪ গৰাকী লোকৰ মৃত্যু হয়। ৱাইনাড জিলাৰ কলপেট্টাৰ বাসিন্দা ৫ গৰাকী সদস্যৰ এটা দলে কালি সমুদ্ৰ তীৰ দৰ্শনৰ সময়ত এই দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোক আৰু মাছমৰীয়াই দলটোৰে এগৰাকী মহিলাৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হ'লেও আন চাৰিগৰাকীক জীৱন্তে উদ্ধাৰ কৰিব নোৱাৰিলে। দুৰ্ঘটনাৰ পৰা কথমপি ৰক্ষা পৰা দলটোৰ একমাত্ৰ সদস্যগৰাকীক হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

কুৱালালামপুৰৰ বায়ুৱেমাছ অ'ভেল ষ্টেডিয়ামত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ মহিলা টি-২০ বিশ্বকাপত কালি ভাৰতে বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। টছত জিকি ভাৰতে প্ৰথমে বাংলাদেশক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। বেটিং আৰম্ভ কৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ৬৪ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। অধিনায়ক ছুমাইয়া আখতেৰে সৰ্বাধিক ২১ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। ভাৰতৰ হৈ বৈষ্ণৱী শৰ্মাই ৩টা উইকেট দখল কৰে। ইয়াৰ পিছত ভাৰতে বেটিং আৰম্ভ কৰি মাত্ৰ ৭ অভাৰ এটা বল খেলি নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ তৃষাই ৩১টা বলত ৪০ ৰান সংগ্ৰহ কৰে।

০০০০০০০

মেলবৰ্ণৰ ৰড লেভাৰ এৰেনাত কালি অনুষ্ঠিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ চূড়ান্ত খেলত আলেকজেণ্ডাৰ ঝভেৰেভক ৬-৩, ৭-৬, ৬-৩ ছেটত পৰাস্ত কৰি ইটালীৰ জানিক ছিনাৰে

খিতাপ দখল কৰে। এই জয়ৰ জৰিয়তে ইটালীৰ ২৩ বছৰীয়া খেলুৱৈগৰাকীয়ে ১৯৯২-৯৩ বৰ্ষত জিম কুৰিয়ৰৰ পিছত একাধিক অষ্ট্ৰেলিয়ান অ’পেন খিতাপ জয় কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে পৰিগণিত হয়। তৃতীয়খন গ্ৰেণ্ড শ্লেমৰ ফাইনেল খেলা ছিনাৰৰ এইটো তৃতীয়টো বৃহৎ খিতাপ।

ইফালে, প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ফাইনেলত আমেৰিকাৰ টেইলৰ টাউনচেণ্ড আৰু চেক খেলুৱৈ কেটেৰিনা চিনিয়াকোভাৰ শীৰ্ষ বাছনিপ্ৰাপ্ত যুটিটোৱে খিতাপ দখল কৰে। যুটিটোৱে তৃতীয় বাছনিপ্ৰাপ্ত লাটভিয়াৰ জেলেনা অষ্টাপেংকো আৰু টাইৱানৰ ছিয়ে ছু-ৱেইক ৬-২, ৬-৭, ৬-৩ ছেটত পৰাস্ত কৰে।

০০০০০০০

ৰাঁচীৰ মৰাং গোমকে জয়পাল সিং মুণ্ডা এষ্ট্ৰ’ টাৰ্ফ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা হকী ইণ্ডিয়া লীগৰ ফাইনেলত কালি ওড়িশা ৱাৰিয়ৰ্ছে জে এছ ডব্লিউ ছূৰ্মা হকী ক্লাবক ২-১ গ’লত পৰাস্ত কৰি উদ্বোধনী সংস্কৰণৰ খিতাপ দখল কৰে।

বঁটা প্ৰদান অনুষ্ঠানত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ওড়িশা ৱাৰিয়ৰৰ অধিনায়ক নেহা গোৱালক দলৰ হৈ ট্ৰফী প্ৰদান কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী  ছোৰেনে হকী ইণ্ডিয়া লীগত  উন্নত খেল প্ৰদৰ্শন কৰা সকলো দল আৰু খেলুৱৈক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

হকী ইণ্ডিয়া লীগৰ পুৰুষৰ আজি সন্ধিয়া ৬ বজাৰ পৰা ৰৌৰকেলাত অনুষ্ঠিত হ'বলগীয়া এখন খেলত দিল্লী এছ জি পাইপাৰ্ছৰ বিৰুদ্ধে শ্ৰাচি ৰহ বেংগল টাইগাৰছ অৱতীৰ্ণ হ'ব।

০০০০০০০

মুম্বাই অনুষ্ঠিত ইণ্ডিয়ান ছুপাৰ লীগৰ এখন খেলত কালি নিশা মুম্বাই চিটি এফ চিয়ে মহম্মেদান এছ চিক ৩-০ গ’লত পৰাস্ত কৰে। মুম্বাইৰ হৈ গৌৰৱ বৰা অ’ জি, ললিয়ানজুৱালা ছাংটে আৰু থায়েৰ ক্ৰৌমাই এটাকৈ  গ’ল দি দলটোৰ জয় নিশ্চিত কৰে ।

আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত বেংগালুৰু এফ চিৰ বিৰুদ্ধে মোহন বাগান ছুপাৰ জায়েন্ট অৱতীৰ্ণ হ'ব। সন্ধিয়া ৭:৩০ বজাত খেলখন আৰম্ভ হ’ব।

০০০০০০০

**সমাপ্ত**